


আকৌ বন্ধ। শুনিয়েই তীব্ৰ বিৰক্তিঁৰে 'ধ্যুৎ' বুলি নিজৰ উষ্মাখিনি প্ৰকাশ কৰিলে শিখৰে। বহুত হ'ল আৰু এইবোৰ। বন্ধই তাৰ আজিলৈ উল্লেখনীয় ব্যক্তিগত ক্ষতি তেনেকৈ একো কৰা নাই, কিন্তু তথাপি। খবৰটি শুনি চহৰৰ আনটি মূৰত ভঙা জুপুৰিটোত থকা ৰিক্সাৱালা হৰেনৰ মুখেৰেও একেটি শব্দ ওলাই আহিল। লগত মাথোঁ দুটামান অশ্লীল শব্দ যোগ হৈ। পঢ়া টেবুলত বহা নয়নাৰ মনটো বাৰে বাৰে কিতাপৰ পৰা ওলাই গ'ল। কাইলৈ গাড়ী-মটৰ নচলিলে পৰীক্ষালৈ বুলি ইমানদূৰ বাট তাই কিদৰে যায়নো।

একেটি খবৰে অৱশ্যে চলিহাৰ মুখত হাঁহি বিৰিঙাই দিলে। বন্ধৰ কাৰণ কি তেওঁ নাজানে। কিন্তু এই সদায় ইমান দূৰ অহা-যোৱা কৰি কৰা অফিচ। কালি দিনটো যি কি নহওক শান্তিৰে ঘৰতে কটোৱা যাব। চলিহাই বন্ধ ঘোষণা কৰা জাতীয়বাদী যুৱ মৰ্চা দলটিক আৰু তাৰ সম্পাদক বেদব্ৰতক মনে মনে ধন্যবাদ জনালে।

যুৱ মৰ্চাৰ অফিচত বেদব্ৰতৰ সাংঘাতিক ব্যস্ততা। আচলতে এই দলটিৰ তেওঁৱেই সৰ্বে সৰ্বা। বেদব্ৰতৰ শক্তিশালী নেতৃত্বত গোটেই অসমত ঠন ধৰি উঠিছে এই যুৱ মৰ্চা। সদস্য সংখ্যা যিমানে বাঢ়িছে সিমানে তেওঁলোকে সদায় কিবা নহয় কিবা এটা কৰিবলৈ উদগ্ৰীৱ হৈ পৰিছে। সকলোকে ব্যস্ত ৰাখিবলৈয়ে এনে দুই-এটা বন্ধৰ মাজে মাজে প্ৰয়োজন। এতিয়া বেদব্ৰতৰ বাবে প্ৰধান মূৰ কামোৰণি হৈ পৰিছে বন্ধটিক কিদৰে সফল কৰিব পৰা যায়। সি জানে এই বন্ধৰ তেনে কোনো গণ ভিত্তি নাই। চৰকাৰী পক্ষও উঠিপৰি ৰাখিছে বন্ধ বিফল কৰিবলৈ। কেইজনমান সুবিধাবাদীৰ বাহিৰে যে কোনেও ইয়াক সমৰ্থন নকৰে সি জানে। কিন্তু ইমান দিন দল-সংগঠন কৰি বেদব্ৰত পৰিপক্ক হৈ উঠিছে। সেয়েহে ক'ত কিদৰে আঘাত হানিব লাগে সি জানে। সাধাৰণ জনতাৰ 'নাৰ্ভ'ডাল সি চিনি পায়। গধূলি সাত বজালৈ অহা বাতৰিসমূহে তাক ক্ৰমাৎ আত্মবিশ্বাসী কৰি তুলিছে। কেইবাদিনো দৌৰা-দৌৰিৰ অন্তত তাৰ মুখত হাঁহি এটা ফুটি উঠিল। তাৰ মুখত সততে আখৈ ফুটাদি ফুটা 'চৰকাৰী যন্ত্ৰ'ৰ অসহায়তাক সি আজিয়েই বাৰুকৈ উপভোগ কৰিলে।

সকলো ঠিকে আগবাঢ়িছিল। কিন্তু নিশা আঠ বাজি পোন্ধৰ মিনিটত কোনোবা প্ৰাৱিতা গগৈয়ে তেওঁৰ ফেচবুকত থকা পাঁচ হেজাৰ ফ্ৰেণ্ডক একেলগে টেগ কৰি জনালে কাইলৈৰ বন্ধ সাময়িকভাৱে বাতিল কৰাৰ কথা। লগত মুখ্যমন্ত্ৰীৰ আৰু তেওঁৰ আনবোৰ সতীৰ্থৰ সৈতে বেদব্ৰতই কৰমৰ্দন কৰি উঠা ফটো। মুখ্যমন্ত্ৰীৰ সৈতে হোৱা আলোচনাৰ তথা মুখ্যমন্ত্ৰীগৰাকীয়ে কৰা প্ৰতিশ্ৰুতি মৰ্মে বন্ধ উঠাই লোৱা হ'ল বুলি বেদব্ৰতই আগবঢ়োৱা বক্তব্যৰ নিৰ্বাচিত অংশ।

প্ৰাৱিতা গগৈৰ ফ্ৰেণ্ড লিষ্টত থকা নতুনকৈ খোলা টিভি চেনেলটোৰ হেডে ফেচবুক আপডেটটো পাই লগে লগে অফিচলৈ ফোন কৰিলে কিবা খবৰ আছে নেকি বুলি। কিন্তু কাৰো হাতত কোনো খবৰ নাই। চেনেল হেডে বাকীবোৰ চেনেল লুটিয়াই-পুতিয়াই চালে। নাই ক'তো খবৰটো এতিয়ালৈ অহা নাই। অফিচৰ পৰা বেদব্ৰতলৈ কেইবাবাৰো ফোনত ট্ৰাই কৰা হ'ল। কিন্তু বাৰে বাৰে ছুইচ অফ দেখুৱালে। এই সময়ত নেতাবোৰে পুলিচে ট্ৰেচ কৰি গ্ৰেপ্তাৰ কৰিব যাতে নোৱাৰে তাৰ বাবে এনে কৰেই। কি কৰিব-নকৰিব চেনেল হেডে ক্ষন্তেক সময় চিন্তা কৰিলে। তাৰ পাছত নিউজ এডিটৰক 'বিগ ব্ৰেকিং' দি দিবলৈ ক'লে। খালী কমকৈ হাইলাইট কৰি 'অ-সমৰ্থিত সূত্ৰ'টো যোগ দিবলৈ ক'লে। আন চেনেলবোৰক 'আমাৰ চেনেলতেই প্ৰথম' বুলি কোৱাৰ সুযোগ আৰু দি থাকিব নোৱাৰি।

ইতিমধ্যে প্ৰাৱিতাৰ ফ্ৰেণ্ডলিষ্টৰ অতি সক্ৰিয় বন্ধুবোৰে 'ইয়াক শ্বেয়াৰ নকৰিলে আপোনাৰ পৰিয়ালৰ ভীষণ অমংগল হ'ব আৰু শ্বেয়াৰ কৰিলে কেইঘণ্টাৰ মূৰতে ঘঁৰ ধনে-সোণেৰে ভৰি পৰিব' মেছেজক যি সততা আৰু নিষ্ঠাৰে শ্বেয়াৰ কৰে ঠিক একে সততা আৰু নিষ্ঠাৰে এই বাতৰিটোকো সমগ্ৰ ফেচবুকক সজাই তুলিলে। জ্যামিতিক হাৰত বাতৰিটোৱে কম সময়তে ফেচবুকক ছানি ধৰিলে। দুই-একে বাতৰিটোৰ সত্যতা নিশ্চিত কৰিবলৈ 'ব্ৰেকিং নিউজ'ৰ দুই-এখন ফটো মোবাইল কেমেৰাৰে উঠাই তাৰ লগত গাঁঠি দিলে।

নিশা এঘাৰমান বজাত কাৰো পৰা 'ডিষ্টাৰ্ব' নোহোৱাকৈ অলপ শান্তিৰে জিৰণি ল'ম বুলি ভিতৰুৱা ঠাই এখনত লুকাই থকা বেদব্ৰতে যেতিয়া খবৰটো পাইছিল তেতিয়ালৈ বহুত দেৰি হৈ গৈছিল। প্ৰিণ্ট মিডিয়াত ইতিমধ্যে বন্ধ বাতিল কৰাৰ বাতৰি প্ৰিণ্ট হৈ নিৰ্দিষ্ট ঠাইবোৰলৈ গুচি গৈছিল। ইলেক্ট্ৰনিক মিডিয়াত তেতিয়া প্ৰাইম টাইমৰ নিউজবোৰকে ৰিপিট কৰি থকা হৈছিল। বেদব্ৰতৰ স্পষ্টীকৰণ লিখিত ৰূপত তলত দেখুৱাই থকা হৈছিল যদিও সেয়া চাবলৈ আৰু চাগে কোনো সেই ৰাতিলৈ ৰৈ থকা নাছিল। অসহায় বেদব্ৰতে ফেচবুকত বিচাৰিব লাগিল প্ৰাৱিতা গগৈক। মুগাৰ মেখেলা-চাদৰ পিন্ধা কোৰিয়ান

১০ পৃষ্ঠাত চাওক

# বিদ্ৰোহ

• জিতুমণি পাঠক



# বিদ্ৰোহ

২ পৃষ্ঠাৰ পৰা

বোলছবিৰ অভিনেত্ৰীৰ মুখ ফটো শ্বপ কৰি লগাই দিয়া ফেক প্লাৱিতা গগৈলৈ চাই ক্ৰোধত দাঁত-মুখ কৰচি উঠিল বেদব্ৰত।

পিছদিনাখন দুই-এক আন্দোলনকাৰীয়ে বাধাৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল যদিও এইবাৰ সাধাৰণ জনতা জিকাৰ খাই উঠিল। বন্ধ উঠাই দিয়াৰ পাছত এই পাবত গজাবোৰৰ আৰু কিহৰ তালি-ভুলি। দোধোৰ-মোধোৰত আন্দোলনকাৰীও পিছ হোঁহকা দিলে। আকৌ এক স্বাভাৱিক জীৱন যাত্ৰা আৰম্ভ হৈ গ'ল। মুখত বিৰক্তিৰ ৰেষ সানি চলিহা বাছত বহিল অফিচলৈ বুলি। কিন্তু একেই বাছত বহি নয়নাৰ মুখত হাঁহি বিৰিঙি উঠিল। হৰেনে হিন্দী গানৰ কলি এটা গুণ গুণাই ৰিক্সাখনলৈ ওলাই আহিল। শিখৰে ওচৰৰ নেট কাফেখনলৈ আগবাঢ়িল। বন্ধই বাৰু তাৰ এতিয়ালৈ তেনেকৈ লেখত ল'বলগীয়া ক্ষতি একো কৰা নাই। কিন্তু হ'ল বুলি আৰু সি সেই দিনটোলৈ ৰৈ থাকিব নোৱাৰে নহয়। সি জানে প্লাৱিতা গগৈয়ে আজিৰ পৰা মানুহবোৰৰ মাজত বিশ্বাসযোগ্যতা হেৰুৱাব। গতিকে সেই ফেচবুক একাউণ্টটো এতিয়া ডিলিট কৰি পেলোৱাই ভাল হ'ব। এইবাৰ বাৰু সি কি হ'ব? পৰিণীতা নে নীলাঞ্জনা?

ফোন ঃ ৯৮৫৪০-১৮১১৭